অসম লোকসেৱা আয়োগ
**ASSAM PUBLIC SERVICE COMMISSION**
Jawaharnagar, Khanapara, Guwahati-781022.
Apply Online: https://apscrecruitment.in
Technical Support email: cceapsc@gmail.com Phone: 1800-572-23-43

**বিজ্ঞাপন নং-৩০/২০২৫**

নং ৪লোঃসেঃআঃ/স্থাপন-১১/২০২৫-২০২৬ দিনাংক- গুৱাহাটী, ৮ চেপ্টেম্বৰ ২০২৫

# বিজ্ঞাপন

অসম লোকসেৱা আয়োগে আয়োগৰ কাৰ্য্যালয়ত চতুৰ্থ বৰ্গ পদৰ নিযুক্তিৰ বাবে ভাৰতীয় সংবিধানৰ ৫ ৰ পৰা ৮ নং অনুচ্ছেদত সংজ্ঞায়িত ভাৰতীয় নাগৰিকৰ পৰা আবেদন পত্ৰ বিচাৰিছে। উক্ত পদৰ বাবে পাবলগীয়া দৰমহা তথা অন্যান্য বানচ সমূহ অসম চৰকাৰৰ যাৱতীয় বিধি অনুযায়ী দিয়া হ'ব।

**(১) পদৰ নাম :- চতুৰ্থ বৰ্গ (অসম লোকসেৱা আয়োগৰ কাৰ্য্যালয়ৰ)**

**(২) পদৰ সংখ্যা :- ২০ (বিশ)**

**(৩) পদৰ সংৰক্ষণ:-**

| পদ/সেৱাৰ নাম (Name of Post) | অসংৰক্ষিত শ্ৰেণী (UR) | | অন্যান্য পিছপৰা/অতি পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত (OBC/MOBC) | | চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে সংৰক্ষিত (TT & Adivasi Community) | | অনুসুচিত জাতিৰ বাবে সংৰক্ষিত (SC) | | অনুসুচিত জনজাতি (ভৈয়াম)ৰ বাবে সংৰক্ষিত (STP) | | অনুসুচিত জনজাতি (পাহাৰীয়া)ৰ বাবে সংৰক্ষিত (STH) | | সৰ্বমুঠ (Grand Total) | | বিশেষ ভাবে সক্ষমৰ (PwBD) বাবে সংৰক্ষিত | প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষিত (Ex-Service man) |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| চতুৰ্থ বৰ্গ (Grade –IV) | মুঠৰ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত (RFW) | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত (RFW) | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত (RFW) | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত (RFW) | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত (RFW) | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত (RFW) | মুঠ পদৰ সংখ্যা | মহিলাৰ বাবে সংৰক্ষিত (RFW) | ০১ (বধিৰতা) (HI) | ০০ |
| | ১০ | ০৩ | ০৫ | ০২ | ০১ | ০০ | ০২ | ০১ | ০১ | ০০ | ০১ | ০০ | ২০ | ০৬ | | |

- ➢ অনলাইন আবেদনৰ আৰম্ভণিৰ তাৰিখ: ১০-০৯-২০২৫
- ➢ অনলাইন আবেদনৰ অন্তিম তাৰিখ: ০৯-১০-২০২৫
- ➢ আবেদন মাচুল পৰিশোধৰ অন্তিম তাৰিখ: ১১-১০-২০২৫

**(৪) দৰমহাৰ নিৰিখ:** পে স্কেল + গ্ৰেড পে+ অসম চৰকাৰৰ বিধি অনুযায়ী পাবলগীয়া অন্যান্য ভাট্টাসমূহ

| পে স্কেল | গ্ৰেড পে | পে বেণ্ড |
|---|---|---|
| ১২,০০০/-টকাৰ পৰা ৫২,০০০/- টকা | ৩,৯০০/- টকা | পি বি- ১ |

**(৫) যোগ্যতাৰ মাপকাঠী:**

প্ৰাৰ্থীগৰাকী ভাৰতীয় সংবিধানৰ ৫ ৰ পৰা ৮ নং অনুচ্ছেদত সংজ্ঞায়িত ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

(ক) প্ৰাৰ্থীসকলে আবাসিক প্ৰমাণ হিচাপে শিক্ষাৰ উদ্দেশ্যে অসমত প্ৰদান কৰা বৈধ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ অথবা নিয়োগ বিনিময় পঞ্জীয়ন প্ৰমাণ পত্ৰৰ প্ৰতিলিপি আপলোড কৰিব লাগিব।

(খ) শিক্ষাগত অৰ্হতাৰ পৰীক্ষণৰ বাবে অসমৰ নিয়োগ বিনিময় পঞ্জীয়ন বাধ্যতামূলক। (প্ৰাসংগিক নথি আপলোড কৰিব লাগিব।)

**(৬) শিক্ষাগত অৰ্হতা:**

নূন্যতম অষ্টম শ্ৰেণী উত্তীৰ্ণ আৰু সৰ্বোচ্চ দ্বাদশ শ্ৰেণী ( HSSLC)বা তাৰ সমতুল্য পৰীক্ষাত উত্তীৰ্ণ। যিসকলৰ শিক্ষাগত অৰ্হতা আবেদনৰ তাৰিখত উল্লেখিত অৰ্হতাতকৈ বেছি তেওঁলোক আবেদনৰ বাবে যোগ্য নহ'ব। (চৰকাৰৰ বিজ্ঞপ্তি নং ABP.29/2022/22, dtd. 15-03-2022 অনুসৰি) ।

এইক্ষেত্ৰত প্ৰাৰ্থীসকলে নিজৰ শিক্ষাগত অৰ্হতা সম্পৰ্কে স্ব-ঘোষণা 'সংযোজন-I' (Annexure-I) আপলোড কৰিব লাগিব।

(৭) বয়স:

প্ৰাৰ্থীৰ বয়স ০১-০১-২০২৫ ত ১৮ বছৰৰ পৰা ৪০ বছৰৰ ভিতৰত হ'ব লাগিব। বয়সৰ উচ্চ সীমাৰ ক্ষেত্ৰত প্ৰযোজ্য শিথিলতা নিম্ন উল্লেখিত ধৰণৰ। (চৰকাৰৰ বিজ্ঞপ্তি নং ABP.6/2016/51, dtd. 02-09-2020 অনুসৰি)

(১) অনুসূচিত জাতি/জনজাতিৰ প্ৰাৰ্থীৰ বাবে ৫ বছৰ, অৰ্থাৎ ৪৫ বছৰলৈকে।

(২) অন্যান্য পিছপৰা/অতি পিছপৰা শ্ৰেণীৰ/চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ বাবে ৩ বছৰ, অৰ্থাৎ ৪৩ বছৰলৈকে।

(৩) বেঞ্চমাৰ্ক অক্ষমতা থকা ব্যক্তি (পি.ডব্লিউ.বি.ডি.) ১০ বছৰলৈকে; অনুসূচিত জাতি/অনুসূচিত জনজাতি/অন্যান্য পিছপৰা/অতি পিছপৰা শ্ৰেণী আৰু অসংৰক্ষিত (UR) শ্ৰেণীৰ প্ৰাৰ্থী নিৰ্বিশেষে।

প্ৰাৰ্থীৰ বয়সৰ সীমা স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ৰ/ব'ৰ্ড/পৰিষদৰ দ্বাৰা প্ৰদান কৰা স্কুল প্ৰমাণপত্ৰ/হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰৱেশ পত্ৰ/ প্ৰমাণ পত্ৰ (য'ত বয়স/ জন্মৰ তাৰিখ প্ৰতিফলিত হয়) অথবা অন্যান্য চৰকাৰী তথ্য যেনে যোগ্য কতৃপক্ষৰ দ্বাৰা প্ৰদান কৰা জন্মৰ প্ৰমাণ পত্ৰ/ পান কাৰ্ড/ আধাৰ কাৰ্ড/ ড্ৰাইভিং লাইচেঞ্চৰ ভিত্তিত গণনা কৰা হ'ব।

**(প্ৰাসংগিক নথি আপলোড কৰিব লাগিব।)**

(৮) বিশেষভাবে সক্ষম (PwBD) শ্ৰেণী প্ৰাৰ্থীৰ বাবে:

বিশেষভাবে সক্ষম (PwBD) শ্ৰেণীৰ অধীনত বিবেচনাৰ বাবে যোগ্য হ'বলৈ এজন প্ৰাৰ্থীৰ বেঞ্চমাৰ্ক অক্ষমতা(৪০%) থাকিব লাগিব আৰু উপযুক্ত কৃৰ্তৃপক্ষই প্ৰদান কৰা প্ৰয়োজনীয় প্ৰমাণ পত্ৰ দেখুৱাব লাগিব।

**(প্ৰাসংগিক নথি আপলোড কৰিব লাগিব।)**

**(৯) অসম চৰকাৰৰ চৰকাৰী কৰ্মচাৰীৰ বাবে:**

ইতিমধ্যে কোনো চৰকাৰী (নিয়মীয়া/চুক্তিবদ্ধ) সেৱাত নিয়োজিত হৈ থকা প্ৰাৰ্থীসকলে, নিয়োজিত হৈ থকা বিভাগ অথবা প্ৰতিষ্ঠানৰ সংশ্লিষ্ট ৰ্কতৃপক্ষই প্ৰদান কৰা প্ৰমাণ পত্ৰ আপলোড কৰিব লাগিব।

কিন্তু দৰমহাৰ ৰক্ষণাবেক্ষণ তথা সেৱাত অব্যাহত ৰখা ইত্যাদি সুবিধা বিচৰা প্ৰাৰ্থীসকলে আবেদন কৰা পদৰ বিপৰীতে নিৰ্দিষ্ট কৰ্তৃপক্ষই প্ৰদান কৰা 'No Objection Certificate' আপলোড কৰিব লাগিব।

**(প্ৰাসংগিক নথি আপলোড কৰিব লাগিব।)**

**(১০) ক্ষুদ্ৰ পৰিয়ালৰ নীতি:**

চৰকাৰৰ বিজ্ঞপ্তি নং ABP.69/2019/17 dtd. 6th November, 2019 অনুসৰি প্ৰাৰ্থীসকলে পদৰ বাবে আবেদন কৰাৰ সময়ত প্ৰ-পত্ৰ 'A' ত "The Small Family Norm" সম্পৰ্কে তথ্য দাখিল কৰিব লাগিব।

**(প্ৰাসংগিক নথি আপলোড কৰিব লাগিব।)**

**(১১) বাচনি প্ৰক্ৰিয়াৰ স্তৰ, পাঠ্যক্ৰম ইত্যাদি:**

বাচনি প্ৰক্ৰিয়া দুটা স্তৰত অনুষ্ঠিত হ'ব -

**(ক) প্ৰথম পৰ্য্যায় (প্ৰাথমিক পৰীক্ষা):**

আয়োগে বিবেচিত প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত কৰিবৰ বাবে OMRভিত্তিত বহুসমাধান বিশিষ্ট বস্তুনিষ্ট প্ৰশ্নৰ প্ৰাথমিক পৰীক্ষা (Screening Test) অনুষ্ঠিত কৰিব। এইক্ষেত্ৰত বিষয়, পাঠ্যক্ৰম, সময়সীমা আৰু নম্বৰ তলত উল্লেখ কৰা ধৰণৰ:

| ক্ৰমিক নম্বৰ | বিষয় | পাঠ্যক্ৰম, বিষয় আৰু নম্বৰ | মানদণ্ড | সময়সীমা আৰু নম্বৰ |
|---|---|---|---|---|
| ১. | সাধাৰণ অধ্যয়ন (General Studies) OMR (MCQ) | (i) গণিত (Arithmetic)- ২০ নম্বৰ<br>(ii) সাধাৰণ জ্ঞান(GK)- ২০ নম্বৰ (বিশেষকৈ অসমৰ)<br>(iii) বুদ্ধিমত্তা (Reasoning) - ২০ নম্বৰ<br>(iv) সমাজ বিজ্ঞান (Social Science)- ২০ নম্বৰ<br>(v) বিজ্ঞান (Science)- ১০ নম্বৰ<br>(vi) প্ৰাথমিক ইংৰাজী (Elementary English)- ১০ নম্বৰ | ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণী | সময়- ২ ঘন্টা<br>নম্বৰ- ১০০ |

(খ) **দ্বিতীয় পৰ্য্যায় (মৌখিক সাক্ষাৎকাৰ):**

প্ৰথম পৰ্য্যায়ত প্ৰদৰ্শিত দক্ষতাৰ ভিত্তিত @ ১:৫ অনুপাতত (শ্ৰেণীভিত্তিক সংৰক্ষণৰ কথা বিবেচনা কৰি) প্ৰাৰ্থীসকলক মৌখিক সাক্ষাৎকাৰৰ বাবে (দ্বিতীয় পৰ্য্যায়) আমন্ত্ৰণ কৰা হ'ব।

**(১২) আবেদন মাচুল:**

চৰকাৰৰ বিজ্ঞপ্তি নং FEG.32/2016/12 dtd. 21st May, 2018 অনুসৰি উক্ত পদৰ বাবে আবেদন মাচুল নাই।

কিন্তু ভাৰত চৰকাৰৰ ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয় (MeitY)ৰ ডিজিটেল ইণ্ডিয়া পদক্ষেপৰ অধীনত অসম লোকসেৱা আয়োগে MeitYৰ অনুমোদিত সংস্থা চিএছচি-এছপিভিৰ সহায়ত অনলাইন নিযুক্তি প'ৰ্টেল মুকলি কৰিছে, যিয়ে প্ৰতিজন প্ৰাৰ্থীৰ পৰা ৪৭.২০/- টকা প্ৰক্ৰিয়াকৰণ মাচুল আদায় ল'ব।

| ক্ৰমিক নম্বৰ | শ্ৰেণী | আবেদন মাচুল | চিএছচি-এছপিভি-ৰ দ্বাৰা লোৱা প্ৰক্ৰিয়াকৰণ মাচুল (টকা) | মুঠ পৰিমাণ |
|---|---|---|---|---|
| ১ | অসংৰক্ষিত শ্ৰেণী (UR) | শূণ্য | ৪৭.২০ | ৪৭.২০ |
| ২ | অন্যান্য পিছপৰা / অতি পিছপৰা শ্ৰেণী (OBC/MOBC) | শূণ্য | ৪৭.২০ | ৪৭.২০ |
| ৩ | অনুসুচিত জাতি(SC) /অনুসুচিত জনজাতি (ST)/ বিশেষভাবে সক্ষম (PwBD)/ বি পি এল | শূণ্য | ৪৭.২০ | ৪৭.২০ |

(i) প্ৰক্ৰিয়াকৰণ মাচুল অবিহনে আবেদন পত্ৰ বিবেচনা কৰা নহ'ব আৰু নাকচ কৰা হ'ব। ইয়াৰ বাবে কোনোধৰণৰ আবেদন গ্ৰহণ কৰা নহ'ব ।

(ii) এবাৰ আদায় দিয়া মাচুল কোনো পৰিস্থিতিতে ঘূৰাই দিয়া নহয় আৰু উক্ত মাচুল অন্য কোনো পৰীক্ষাৰ বাবে সংৰক্ষিত নহয়।

➢ **কেনেকৈ আবেদন কৰিব**

(১) আবেদনকাৰীয়ে অসম লোকসেৱা আয়োগৰ ৱেবচাইট https://apscrecruitment.inৰ জৰিয়তে অনলাইনযোগে আবেদন কৰিব লাগিব। আন কোনো মাধ্যম/পদ্ধতিৰ জড়িয়তে আবেদন গ্ৰহণ কৰা নহ'ব।

(২) আবেদনকাৰীয়ে প্ৰথমে অসম লোকসেৱা আয়োগৰ ৱেবচাইট ত Recruitment ত গৈ 'Grade-IV' বুটামত ক্লিক কৰি 'Register'ত ক্লিক কৰি নিজৰ পঞ্জীয়ন কৰিব লাগিব।

(৩) প্ৰাৰ্থীসকলক অনলাইন আবেদনত বৈধ আৰু সক্ৰিয় e-mail আৰু mobile number পঞ্জীয়ন কৰিবলৈ কোৱা হৈছে।

(৪) পঞ্জীয়ন কৰাৰ পিছত আবেদনকাৰীয়ে নিজৰ পঞ্জীয়ন কৰা e-mail/mobile number আৰু password ব্যৱহাৰ কৰি log-in কৰিব লাগিব।

(৫) log-in কৰাৰ পিছত আবেদনকাৰীয়ে প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্য পূৰণ বা প্ৰদান কৰিব লাগিব।

(৬) আবেদনকাৰীক বিজ্ঞাপনৰ বাবে আবেদন কৰাৰ আগতে যোগ্যতাৰ মাপকাঠী আৰু অন্যান্য প্ৰাসংগিক তথ্য ভালদৰে পঢ়িবলৈ পৰামৰ্শ দিয়া হৈছে। অনলাইন প্ৰ-পত্ৰৰ বাধ্যতামূলক ক্ষেত্ৰসমূহ তাৰকা চিহ্নৰে চিহ্নিত কৰা হৈছে ।

(৭) প্ৰাৰ্থীসকলে প্ৰয়োজনীয় তথ্য/প্ৰমাণপত্ৰ সমূহ (যেনে - জন্মৰ তাৰিখ, শিক্ষাগত অৰ্হতা, জাতি, PwBD, অবাসিক প্ৰমাণ পত্ৰ ইত্যাদি) তলত দিয়া ধৰণে পি.ডি.এফ (Pdf) ফাইলত আপলোড কৰিব লাগিব :-

ক) ফাইলৰ সৰ্বোচ্চ আকাৰ 5 MB

খ) প্ৰিন্ট কৰিলে স্পষ্টকৈ দেখা যাব লাগিব।

গ) 200 dpi grey scale ত স্কেন কৰিব লাগিব।

(৮) আবেদনকাৰীয়ে নিজৰ শেহতীয়া ফটো (আকাৰ :- 50 kb – 200 kb আৰু ৩ মাহতকৈ পুৰণি হ'ব নালাগিব) আৰু স্বাক্ষৰ ( আকাৰ :- 50 kb – 200 kb)আপলোড কৰিব লাগিব।

(৯) আবেদনৰ সময়ত জমা দিয়া নথি পত্ৰৰ সবিশেষ পিছৰ পৰ্য্যায়ত পৰীক্ষা কৰা হ'ব।

(১০) আবেদনকাৰীয়ে আবেদন পত্ৰত কোৱাৰ দৰে সকলো তথ্য সাৱধানে পূৰণ কৰি আৰু প্ৰ-পত্ৰ চূড়ান্তভাবে জমা দিয়াৰ আগতে "Preview" বুটামটো ক্লিক কৰিব চাব পাৰিব।

(১১) আবেদনকাৰীয়ে চূড়ান্ত দাখিলৰ পূৰ্বে আবেদনৰ সকলো প্ৰাসংগিক ক্ষেত্ৰ সঠিকভাৱে পূৰণ কৰাটো নিশ্চিত কৰিব লাগিব, যিহেতু চূড়ান্তভাবে জমা দিয়াৰ পিছত পুনৰ সম্পাদনা কৰিব নোৱাৰিব।

(১২) আপলোড কৰিবলগীয়া শিক্ষাগত অৰ্হতা, বয়সৰ প্ৰমাণ, জাতি আদিৰ নথিসমূহ চূড়ান্তভাৱে জমা দিয়াৰ আগতে 'Preview' বিকল্পলৈ গৈ পৰীক্ষা কৰি নথিসমূহ স্পষ্ট আৰু পাঠযোগ্য হোৱাতো নিশ্চিত কৰিব লাগিব।

(১৩) আবেদনকাৰীয়ে পূৰণ কৰা সবিশেষৰ 'Preview' কৰাৰ পিছত তেওঁ হয় চূড়ান্তভাৱে জমা দিয়াৰ বাবে 'Proceed to Pay' ত ক্লিক কৰিব পাৰে অথবা প্ৰ-পত্ৰ সাংশোধনৰ বাবে 'Cancel' বুটামটো ক্লিক কৰিব পাৰে।

(১৪) প্ৰ-পত্ৰ দাখিল সম্পূৰ্ণ কৰাৰ পিছত আবেদনকাৰীয়ে প্ৰযোজ্য অনুসৰি প্ৰক্ৰিয়াকৰণ মাচুল আদায় দিব লাগিব। প্ৰক্ৰিয়াকৰণ মাচুল প্ৰদান নকৰা আবেদন বিবেচনা কৰা নহ'ব।

(১৫) আবেদনকাৰীয়ে এবাৰ দিয়া মাচুল ঘূৰাই দিয়া নহ'ব।

(১৬) 'Payment' বিফল হ'লে আবেদনকাৰীয়ে বেংকৰ পৰা Payment চেক কৰিবলৈ 'Check Status' বুটামত ক্লিক কৰিব লাগিব। একেটা লেনদেনৰ বাবে দুবাৰ Debitকৰা ধনৰাশি, বেংকে ৫-৭ কৰ্মদিনৰ ভিতৰত আবেদনকাৰীক স্বয়ংক্ৰিয়ভাৱে ঘূৰাই দিব।

(১৭) প্ৰাৰ্থীসকলৰ প্ৰ-পত্ৰ সফলভাৱে দাখিল হ'লে, পঞ্জীয়নভুক্ত e-mail ID/mobile number ত এটা স্বয়ংক্ৰিয় e-mail/SMS প্ৰেৰণ কৰা হ'ব।

(১৮) আবেদনকাৰীয়ে Common Service Center ৰ জৰিয়তেও নিজৰ অনলাইন প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব। Debit Card/Internet Banking নথকা আবেদনকাৰীয়ে ওচৰৰ Common Service Centerলৈ যাব পাৰিব।

(১৯) প্ৰাৰ্থীসকলে অনলাইন আবেদন জমা দিয়াৰ পিছত দাখিল কৰা অনলাইন নিযুক্তি আবেদনৰ প্ৰিন্ট উলিয়াই ৰাখিব লাগিব।

(২০) আবেদনকাৰীসকলক আবেদন প্ৰক্ৰিয়াৰ অন্তিম তাৰিখলৈ অপেক্ষা নকৰি আগতীয়াকৈ আবেদন জমা দিবলৈ কোৱা হৈছে।

(২১) যিকোনো Payment সম্পৰ্কীয় সমস্যাৰ বাবে GRAS Helpdesk – 1800-102-1686 (সকলো কৰ্মদিনত পুৱা ১০.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ) নম্বৰত যোগাযোগ কৰিব পাৰিব।

যিকোনো বেংক সৰ্ম্পকীয় সমস্যা/বিষয়ৰ বাবে আবেদনকাৰীয়ে নিজৰ নিজৰ বেংক শাখাৰ সৈতে যোগাযোগ কৰিব লাগিব।

**(২২) অনলাইন আবেদন প্ৰ-পত্ৰৰ সৈতে জড়িত আন যিকোনো বিষয়ৰ বাবে তলত দিয়া নম্বৰত যোগাযোগ কৰিব পাৰিব।**

ক)e-mail : cceapsc@gmail.com

খ) যোগাযোগ নম্বৰ: 1800-572-23-43 (সকলো কৰ্মদিনত পুৱা ১০.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ)

- **মন কৰিবলগীয়া বিষয়:**

(১) পদ (সমূহ)/ সেৱা (সমূহ)ৰ বাবে আবেদন কৰাৰ পূৰ্বে প্ৰাৰ্থীসকলে যোগ্যতাৰ সকলো চৰ্ত পূৰণ হৈছেনে নিশ্চিত হ'ব লাগিব। প্ৰাৰ্থীসকলক আয়োগে সকলো পৰ্য্যায়তে নিৰীক্ষন কৰিব। যদি কোনো সময়ত বা যিকোনো পৰ্য্যায়ত (প্ৰাথমিক পৰীক্ষা আৰু মৌখিক সাক্ষাৎকাৰৰ পূৰ্বে বা পিছত) পৰীক্ষণৰ সময়ত দেখা যায় যে প্ৰাৰ্থীসকলে যোগ্যতাৰ কোনো চৰ্ত পূৰণ কৰা নাই তেন্তে তেওঁলোকৰ প্ৰাৰ্থীত্ব বাতিল কৰা হ'ব।

(২) আবেদনৰ তাৰিখত সৰোৰ্চ্চ যোগ্যতা শৈক্ষিক অৰ্হতা অৰ্থাৎ HSSLC (Class 12)তকৈ অধিক অৰ্হতা সম্পন্ন প্ৰাৰ্থীসকলক বাছনি প্ৰক্ৰিয়াৰ পৰা বঞ্চিত কৰা হ'ব।

(৩) আয়োগে নিযুক্তি প্ৰক্ৰিয়াৰ সমগ্ৰ/অংশবিশেষ যিকোনো সময়তে কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ বাতিল/সংশোধন কৰিব পাৰে। এই সম্পৰ্কে ৱেৱচাইট যোগে অৱগত কৰা হ'ব।

(৪) কোনো প্ৰাৰ্থীয়ে আবেদন দাখিল কৰাৰ পিছত তেওঁৰ পৰা পোৱা প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ বাবে কোনো ধৰণৰ অনুৰোধ গ্ৰহণ কৰা নহ'ব।

(৫) প্ৰাৰ্থীয়ে আয়োগক দাখিল কৰা মূল আবেদন প্ৰ-পত্ৰ/অনলাইন আবেদন প্ৰ-পত্ৰত দাবী কৰা নিজৰ শ্ৰেণী (জাতি আদিৰ)/উপশ্ৰেণী পিছৰ পৰ্য্যায়ত সলনি কৰিবলৈ দিয়া নহ'ব।

(৬) ভুল তথ্য প্ৰদান কৰা প্ৰাৰ্থীসকলক আয়োগে এক নিৰ্দিষ্ট সময়সীমালৈকে আয়োগৰ দ্বাৰা অনুষ্ঠিত যিকোনো নিযুক্তি প্ৰক্ৰিয়াত আবেদন কৰাৰ পৰা বাধা প্ৰদান কৰিব পাৰে বা আযোগ্য ঘোষণা কৰিব পাৰে।

(৭) কোনো আবেদনকৰীয়ে দিয়া কোনো ভুৱা তথ্য/বক্তব্য ধৰা পৰিলে তেওঁৰ আবেদন নাকচ কৰা হ'ব আৰু লগতে প্ৰচলিত নিয়ম/আইন অনুসৰি শাস্তি প্ৰদান কৰা হ'ব। যদি কোনো ক্ষেত্ৰত নিযুক্তি দিয়াৰ পিছতো আয়োগক প্ৰতাৰণা কৰাৰ উদ্দেশ্যে ভুৱা তথ্য দাখিল কৰাটো ধৰা পৰে, তেন্তে এই ক্ষেত্ৰত আয়োগে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

(৮) পৰীক্ষাৰ্থীয়ে প্ৰাথমিক পৰীক্ষা/সাক্ষাৎকাৰ (Interview)ৰ সময়ত পান কাৰ্ড, ড্ৰাইভিং লাইচেঞ্চ, পাছপৰ্ট, শিক্ষা অনুষ্ঠানৰ দ্বাৰা প্ৰদান কৰা আই.ডি. কাৰ্ড, ভোটাৰ কাৰ্ড, আধাৰ কাৰ্ড আদি পৰিচয় প্ৰমাণ প্ৰদান/দাখিল কৰিব লাগিব।

(৯) অনলাইন আবেদনৰ প্ৰ-পত্ৰ https://apscrecruitment.inত জমা দিয়াৰ অন্তিম তাৰিখটোক প্ৰাৰ্থীৰ অৰ্হতা নিৰ্ধাৰণৰ আধাৰ হিচাপে লোৱা হ'ব (যদিহে নিযুক্তি বিজ্ঞাপনত বিশেষভাৱে উল্লেখ কৰা হোৱা নাই)

(১০) প্ৰাৰ্থীসকলে প্ৰয়োজন অনুসৰি আয়োগে নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট স্থানত মৌখিক সাক্ষাৎকাৰৰ বাবে উপস্থিত হ'ব লাগিব। সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণ কৰা প্ৰাৰ্থীৰ ভ্ৰমণ বা অন্যান্য খৰচ আয়োগে বহন নকৰে।

(১১) প্ৰাৰ্থী সুস্বাস্থ্যৰ অধিকাৰী হ'ব লাগিব। উত্তীৰ্ণ প্ৰাৰ্থীসকলে আয়োগে নিৰ্বাচন কৰা স্বাস্থ্য কতৃপক্ষৰ দ্বাৰা অনুষ্ঠিত স্বাস্থ্য পৰীক্ষাত ভাগ ল'বলৈ সাজু থাকিব লাগিব আৰু তেনে স্বাস্থ্য পৰীক্ষাত যোগ্য বুলি বিবেচিত হ'ব লাগিব।

(১২) প্ৰাৰ্থীসকলক আয়োগৰ ৱেৱচাইট, বাতৰি কাকতৰ জৰিয়তে সময়মতে চূড়ান্ত ফলাফলৰ বিষয়ে অৱগত কৰা হ'ব।

(১৩) যিকোনো ধৰণৰ Canvassingকৰা প্ৰাৰ্থীক অযোগ্য ঘোষণা কৰা হ'ব।

➢ **মৌখিক সাক্ষাৎকাৰৰ সময়ত দেখুৱাবলগীয়া নথিপত্ৰ/প্ৰমাণপত্ৰ:**

প্ৰাৰ্থীয়ে দাখিল কৰা অনলাইন প্ৰ-পত্ৰৰ হাৰ্ড-কপি (print out)আৰু নিম্নলিখিত নথিসমূহৰ মূল (original) তথা তাৰ **স্ব-প্ৰমাণিত** (self attested) কপিৰ লগতে মৌখিক সাক্ষাৎকাৰৰ প্ৰৱেশ-পত্ৰত উল্লেখিত সামগ্ৰীসমূহ মৌখিক সাক্ষাৎকাৰৰ সময়ত দেখুৱাব লাগিব, অন্যথা তেওঁলোকক উক্ত সাক্ষাৎকাৰত ভাগ ল'বলৈ দিয়া নহ'ব-

(১) বয়স/জন্মৰ তাৰিখ স্পষ্টভাৱে উল্লেখ থকা অষ্টম শ্ৰেণী/নৱম শ্ৰেণী/দশম শ্ৰেণী/দ্বাদশ শ্ৰেণীৰ পৰীক্ষা, স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়/কেন্দ্ৰীয়/ৰাজ্যিক ব'ৰ্ডে প্ৰদান কৰা প্ৰৱেশ-পত্ৰ (Admit Card)/পাছ চাৰ্টিফিকেট (Pass Certificate)/মাৰ্কশ্বীট (Mark Sheet) অথবা অন্যান্য চৰকাৰী তথ্য যেনে যোগ্য কতৃপক্ষৰ দ্বাৰা প্ৰদান কৰা জন্মৰ প্ৰমাণ পত্ৰ/ পান কাৰ্ড/ আধাৰ কাৰ্ড/ ড্ৰাইভিং লাইচেঞ্চ।

(২) শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ আৰু মাৰ্কশ্বীট।

(৩) অনুসূচিত জাতি/অনুসূচিত জনজাতি/অন্যান্য পিছপৰা / অতি পিছপৰা শ্ৰেণী হিচাপে সংৰক্ষণ বিচৰা প্ৰাৰ্থীসকলৰ বাবে যোগ্য কতৃপক্ষই প্ৰদান কৰা জাতি/জনজাতিৰ প্ৰমাণপত্ৰ ।

(৪) চৰকাৰে প্ৰদান কৰা BPL প্ৰমাণপত্ৰ ।

(৫) ক্ষুদ্ৰ পৰিয়াল নীতিৰ 'Form- A'।

(৬) আবেদনত উল্লেখিত আন আন দাবীৰ প্ৰমাণৰ বাবে প্ৰয়োজনীয় নথিসমূহ।

**টোকা-১:** অনলাইন নিযুক্তি আবেদনত উল্লেখ কৰা জন্ম তাৰিখক চূড়ান্ত বুলি গণ্য কৰা হ'ব। পৰবৰ্তী সময়ত জন্ম তাৰিখ সলনিৰ বাবে কোনো ধৰণৰ অনুৰোধ বা আবেদন মঞ্জুৰ কৰা নহ'ব।

**টোকা-২:** আবেদনৰ প্ৰ-পত্ৰ পূৰণ কৰাৰ সময়ত কোনো ধৰণৰ মিছা বা ভুল তথ্য নিদিবলৈ সকীয়াই দিয়া হৈছে।

**টোকা-৩:** প্ৰাৰ্থীসকলে প্ৰ-পত্ৰ চূড়ান্ত ভাৱে দাখিলৰ পূৰ্বে সকলো প্ৰয়োজনীয় নথি পত্ৰ আপলোড কৰাটো নিশ্চিত কৰিব লাগিব। আবেদন চূড়ান্তভাৱে দাখিল কৰাৰ পিছত কোনো নথি গ্ৰহণ কৰা নহ'ব। অনলাইন আবেদন প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত নথিপত্ৰ জমা দিয়াৰ বাবে কোনো অনুৰোধ গ্ৰহণ কৰা নহ'ব।

**প্ৰত্যক্ষ নিযুক্তি:**

পৰীক্ষাৰ্থীৰ সংখ্যা ওপৰত নিৰ্ভৰ কৰি আয়োগে তলত দিয়া Zone সমূহত পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত ল'ব পাৰে :

| ক্ৰমিক নং | Zone | Zoneৰ অধীন জিলাসমূহ |
|---|---|---|
| ১ | শিলচৰ | হাইলাকান্দি, শ্ৰীভূমি আৰু কাছাৰ |
| ২ | যোৰহাট | গোলাঘাট, ডিব্ৰুগড়, যোৰহাট, মাজুলী, চৰাইদেউ, শিৱসাগৰ, তিনিচুকীয়া |
| ৩ | নগাঁও | ডিমা হাচাও, হোজাই, নগাঁও, মৰিগাঁও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং |
| ৪ | তেজপুৰ | বিশ্বনাথ, ধেমাজি, লক্ষীমপুৰ, শোণিতপুৰ আৰু ওদালগুৰি |
| ৫ | কোকৰাঝাৰ | বঙাইগাঁও, চিৰাং, ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, দক্ষিণ শালমাৰা-মানকাছাৰ |
| ৬ | গুৱাহাটী | বৰপেটা, বাক্সা, কামৰূপ, কামৰূপ (মেট্ৰ'), নলবাৰী, দৰং, বজালী আৰু তামুলপুৰ |

**বি:দ্ৰ:** পৰীক্ষাৰ্থীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি আয়োগে Zoneৰ সংখ্যা বৃদ্ধি বা হ্ৰাসৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

স্বাঃ
সচিব
অসম লোকসেৱা আয়োগ
জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২
দিনাংক- গুৱাহাটী, ৮ চেপ্টেম্বৰ ২০২৫

নং ৪ লোঃসেঃআঃ/স্থাপন-১১/২০২৫-২০২৬(ক)

*প্ৰতিলিপি প্ৰেৰণ কৰা হৈছে:*

১) অসম লোকসেৱা আয়োগৰ মাননীয় অধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে।

২) অসম লোকসেৱা আয়োগৰ মূখ্য পৰীক্ষা নিয়ন্ত্ৰকৰ জ্ঞাতাৰ্থে।

৩) কম্পিউটাৰ শাখা, আয়োগৰ ৱেৱচাইটত আপলোড কৰিবৰ বাবে।

সচিব
অসম লোকসেৱা আয়োগ
জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২

**Annexure-I**

# SELF DECLARATION FORM

*(To be uploaded along with the Application Form)*

I, ____________________________________________ (Name of Applicant), son/daughter of _____________________________________(Father's/Mother's Name), do hereby solemnly declare as follows:

1) That I am an applicant for the post of Grade-IV vide Advt. No. 30/2025 dated 08-09-2025.
2) That I understand that the educational qualification for the said post is minimum class VIII passed and the maximum HSSLC (Class 12) or equivalent examination passed and those who have educational qualification higher than this maximum eligibility educational qualification on the date of application shall not be eligible to apply.
3) That my highest educational qualification does not exceed **HSSLC/Class XII (Higher Secondary or equivalent)**.
4) That the information provided by me in the online application form is true, complete, and correct to the best of my knowledge and belief.
5) That I understand that if any information/declaration submitted by me is found to be false or incorrect at any stage, my candidature shall be liable to be cancelled and I shall be liable for legal action as per rules.

I hereby submit this declaration in support of my application.

Date: Signature of the Applicant (in full)

Place: